**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 27-10-2025 **Time :** 0755Hrs.

## HEADLINES

নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰা হ'ব। উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালৰ মাতৃত্ব প্ৰতিৰোধ, প্ৰতিগৰাকী কন্যা শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সুনিশ্চিত হৈছে। ২০২৪-২৫ বৰ্ষত এই আঁচনিৰ অধীনত এক লাখ ৬০ হাজাৰ ছাত্ৰীলৈ ১৩৩ কোটি টকা মোকলাই দিয়াৰ বিপৰীতে ২০২৫-২৬ বৰ্ষত ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এই আঁচনিৰ চেক বিতৰণৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি আন কেইবাগৰাকী বিধায়ক উপস্থিত থাকিব।

০০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ উপস্থিতিত ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি নাজিৰাৰ নাহৰগুৰি হাবিগাঁও খেলপথাৰত ডেঙ্গি, দৈখনা আৰু নামদাং নৈৰ খনন আঁচনিৰ শুভাৰম্ভ কৰে। ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ ৮ কোটি টকাৰে জলসম্পদ বিভাগে এই খনন কাৰ্য সম্পন্ন কৰিবলৈ লৈছে। জলসম্পদ মন্ত্ৰীগৰাকীয়ে খনন কাৰ্যৰ শুভাৰম্ভ কৰি কয়, যে এই এলেকাত কাষৰীয়া পাহাৰৰ পৰা বোকা-মাটি খহি অহাৰ ফলত নৈকেইখনত পানীৰ বহনক্ষমতা হ্ৰাস পাইছিল আৰু খেতিপথাৰত পলস পৰিছিল। সেয়েহে নৈকেইখন খনন কৰি পানীৰ চলাচল পূৰ্বৰ দৰে কৰি তোলাৰ লগতে কৃষিকাৰ্য সুচল কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰ ফলত নাজিৰাৰ গেলেকী, ন-পুখুৰী, পিয়লি ফুকন আৰু ৰজাভেটা গাঁও পঞ্চায়তৰ কুৰিখনৰো অধিক গাঁৱৰ ৰাইজে সন্মুখীন হৈ অহা বানৰ সমস্যা সমাধান হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে দিখৌ নৈৰ ৩০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে।

**বাইট (পীযুষ হাজৰিকা)**

০০০০০০০

অসম সাহিত্য সভাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাস্থিত পৰমানন্দ লাহন প্ৰেক্ষাগৃহত কাইলৈ দিনজোৰা কাৰ্যসূচীৰে ভৱিষ্যৎ প্ৰজন্মৰ সন্মিলন শীৰ্ষক এটি অনুষ্ঠানৰ আয়োজন কৰিছে। জিলা সাহিত্য সভাসমূহৰ সম্পাদক, সহকাৰী সম্পাদক আৰু পত্ৰিকা সম্পাদক সকলক লৈ আয়োজন কৰা এই অনুষ্ঠানৰ লক্ষ্য হৈছে নৱপ্ৰজন্মৰ মাজত অসমীয়াকে ধৰি অন্যান্য থলুৱা ভাষাসমূহৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰা। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ পৌৰোহিত্যত হ'বলগীয়া এই সন্মিলনখন উদ্বোধন কৰিব নুমলীগড় শোধনাগাৰৰ মহাপ্ৰবন্ধক ড০ কাজল শইকীয়াই। অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ সঞ্চালক ড০ সোণালী ঘোষকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। এই অনুষ্ঠানতে প্ৰজন্ম ঐক্য নামৰ এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰা হ'ব।

০০০০০০০

মণিপুৰত সুৰক্ষা বাহিনীয়ে কালি বিভিন্ন জিলাৰ পৰা নিষিদ্ধঘোষিত উগ্ৰপন্থী সংগঠনৰ ছজন সদস্যক আটক কৰাৰ লগতে ভালেসংখ্যক অস্ত্ৰ-শস্ত্ৰ আৰু গুলী-বাৰুদ জব্দ কৰে। এগৰাকী আৰক্ষী বিষয়াই জনোৱা মতে কাকচিং, পশ্চিম ইম্ফল আৰু থৌবাল জিলাৰ পৰা আটক কৰা উগ্ৰপন্থীকেইজন কাংলেইপাক কমিউনিষ্ট পাৰ্টি, পিপ্‌লছ ৰিভ'লিউচনেৰী পাৰ্টি অৱ কাংলেইপাক আৰু পিপ্‌লছ লিবাৰেচন আৰ্মীৰ সদস্য। চৰকাৰী কৰ্মচাৰী, ঠিকাদাৰ আৰু অন্যান্য লোকক দাবী-ধমকিৰে জবৰদস্তি চান্দা উঠোৱা আদিকে

ধৰি বিভিন্ন অপৰাধমূলক কামত এই সদস্যকেইজন জড়িত বুলি আৰক্ষী বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। উগ্ৰপন্থী সদস্যকেইজনৰ পৰা কেইবাখনো আধাৰকাৰ্ড, বহু আপত্তিজনক নথিপত্ৰ, এখন বাহন আৰু কেইবাটাও মোবাইল ফোন জব্দ কৰা হয়।

০০০০০০০

বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী সমষ্টিত কালি বাওঁপন্থী দল চি পি আই এম এলৰ বিশ্বনাথ জিলা সমিতিৰ উদ্যোগত এখন মত বিনিময় আৰু বুথ পৰ্যায়ৰ এজেণ্টসকলৰ প্ৰশিক্ষণ সভা অনুষ্ঠিত হয়। সভাত চি পি আই এম এল দলৰ ৰাজ্যিক সম্পাদকৰ লগতে ভালেসংখ্যক সদস্য আৰু দলটোৰ বি এল অ’ কৰ্মীসকল উপস্থিত থাকে। কালি কেইবাজনো লোকে চি পি আই এম এলৰ দলত যোগদান কৰে।

০০০০০০০

**সমাপ্ত**